**মনিপুৰ ৰাজ্য আৰু আনএজন**

**বনাম**

**শ্ৰীমতী চবুংবাম থোইবিচানা দেৱী আৰু অন্যান্য**

১৯ এপ্ৰিল, ২০০৭

[ন্যায়াধীশ অশোক ভান আৰু ন্যায়াধীশ চি. কে. থাক্কেৰ]

*সেৱা আইনঃ*

*নিযুক্তি- Assistant Govt. Advocate(সহকাৰী চৰকাৰী অধিবক্তা) তথা Assi. Public Prosecutor(সহকাৰী ৰাজহুৱা অভিযোজক)ৰ পদবী- লিখিত পৰীক্ষাৰ লগতে মৌখিক পৰীক্ষা পৰিচালনা কৰা- ফলস্বৰূপে, ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষ নিযুক্তি আৰু ফলাফল ঘোষণা কৰাত নিষেধাজ্ঞা- প্ৰত্যাহ্বান জনোৱা- বিপৰীত পক্ষক সুযোগ নিদিয়াকৈ লেখ আবেদনৰ অনুমতি দিয়া হৈছিল- উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে অভিলেখৰ ওপৰত অতিৰিক্ত তথ্য বিবেচনা নকৰাকৈ নিৰ্দেশটো সমৰ্থন কৰে- আপীলত উপস্থাপন কৰেঃ নিম্ন আদালতৰ আদেশ সাঁথৰস্বৰূপ তথা যুক্তিহীন, এনেদৰে, খণ্ড পীঠৰ নিৰ্দেশ একাষৰীয়া কৰে আৰু বিষয়টো remitted(ঘুৰাই পঠিওৱা ব্যৱস্থা) কৰি দিয়ে।*

আপীলকাৰী- ৰাজ্যই সহকাৰী চৰকাৰী অধিবক্তা তথা সহকাৰী ৰাজহুৱা অভিযোজকৰ পদত নিযুক্তিৰ বাবে বিজ্ঞাপন জাৰি কৰিছিল। যিহেতু সাক্ষাৎকাৰৰ বাবে কেৱল তাৰিখ নিৰ্ধাৰণ কৰা হৈছিল, এখন লেখ আবেদনত উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশগৰাকীয়ে ৰাজ্য চৰকাৰক

লিখিত আৰু মৌখিক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে নতুন তাৰিখ জাননী দিবলৈ নিৰ্দেশ দিয়ে। তাৰপিছত, ৰাজ্য চৰকাৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতাত কৰা আঁচনিৰ অধীনত গৃহ আৰু শিক্ষা বিভাগৰ নিযুক্তিৰ বাহিৰে সকলো বিভাগৰ ক্ষেত্ৰত প্ৰত্যক্ষ নিযুক্তি আৰু D.P.Cs ৰ ফলাফল ঘোষণা নিষিদ্ধ কৰে। উত্তৰদাতাসকলে লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশে বিপৰীত পক্ষক উত্তৰ দাখিল কৰাৰ কোনো সুযোগ নিদিয়াকৈ এইকাৰ্য্যৰ অনুমতি দিছিল আৰু আপীলকাৰী-ৰাজ্য চৰকাৰক দাখিল কৰা বিজ্ঞাপনৰ আবেদন অনুসৰি অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিবলৈ নিৰ্দেশ দিছিল- ই অতিৰিক্ত তথ্যসমূহ নথিভুক্ত কৰাৰ বাবেও আবেদন দাখিল কৰিছিল, যাৰ বাবে একক ন্যায়াধীশে কোনো সুযোগ দিয়া নাছিল- উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে কোনো তথ্য উল্লেখ নকৰাকৈ একক ন্যায়াধীশৰ নিৰ্দেশ সমৰ্থন কৰিছিল। সেয়েহে বৰ্তমানৰ আপীল।

বিষয়টো উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠলৈ পঠিয়াই আদালতে

উপস্থাপন কৰেঃ একক ন্যায়াধীশৰ লগতে খণ্ড বিচাৰপীঠে প্ৰদান কৰা নিৰ্দেশবোৰ সাঁথৰস্বৰূপ তথা যুক্তিহীন আছিল। খণ্ড বিচাৰপীঠে লিপিবদ্ধ কৰা উচিত আছিল যে, একক ন্যায়াধীশে উত্তৰদাতাসকলক লেখ আবেদনত কৰা অভিমতৰ প্ৰতি তেওঁলোকৰ উত্তৰ দাখিল কৰিবলৈ অনুমতি দিয়া নাছিল। যিহেতু একক ন্যায়াধীশে উত্তৰদাতাসকলক উত্তৰ দাখিল কৰিবলৈ অনুমতি দিয়া নাছিল; খণ্ড বিচাৰপীঠে, যাৰ আগত তথ্যবোৰ অতিৰিক্ত হলফনামাৰ জৰিয়তে উত্থাপিত হৈছিল, এই অতিৰিক্ত তথ্যবোৰ বিবেচনা কৰা উচিত আছিল আৰু ই খণ্ড বিচাৰপীঠৰ ওপৰত নিৰ্ভৰ কৰে যে, বিচাৰপীঠে সেইবোৰ গ্ৰহণ কৰিব বা নাকচ কৰিব। খণ্ড বিচাৰপীঠে একক ন্যায়াধীশৰ নিৰ্দেশ সমৰ্থন কৰাৰ বাবে কোনো কাৰণ নিৰ্ধাৰণ কৰা নাছিল, কেৰল এইটো কোৱাৰ

বাহিৰে যে, তেওঁলোকে একক ন্যায়াধীশৰ নির্দেশত হস্তক্ষেপ কৰিবলৈ ইচ্ছুক নহয়। এইদৰে, বিচাৰাধীন আদেশটো একাষৰীয়া কৰা হৈছে। [দফা ৯) (৩৮৮- এ- চি)

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰঃ** দেৱানী আপীল নং ২০৬৫- ২০০৭।

গৌহাটী উচ্চ ন্যায়ালয়ৰ ইম্ফলৰ বিচাৰপীঠৰ লেখ আপীল নং ৭৫-২০০০-ত ১২.০৪.২০০৬তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰপক্ষত জয়দীপ গুপ্তা, আৰু খোৰাইৰকপম নোবিন সিং।

উত্তৰদাতাসকলৰপক্ষত এছ. বি. সান্যাল, আৰু আৰিবাম গুনেশ্বৰ শর্মা।

আদালতৰ ৰায় প্ৰদান কৰিছে-

**ন্যায়াধীশ অশোক ভান,** ১. অনুমতি প্ৰদান কৰিছিল। আবেদনকাৰীসকলৰপক্ষৰ বিদ্বান জ্যেষ্ঠ পৰামর্শদাতা- শ্ৰীযুত জয়দীপ গুপ্তা আৰু উত্তৰদাতাসকলৰপক্ষৰ বিদ্বান পৰামর্শদাতা শ্ৰীযুত এছ. বি. সান্যালৰ যুক্তি শুনোহঁক।

২. বর্তমানৰ আপীল মনিপুৰ ৰাজ্য আৰু আনএজনৰ দ্বাৰা গৌহাটী উচ্চ ন্যায়ালয়, ইম্ফল পীঠৰ দ্বাৰা ২০০০চনৰ ১২এপ্ৰিল তাৰিখৰ ৭৫ নং লেখ আপীলত গৃহীত ৰায় আৰু নির্দেশৰ বিৰুদ্ধে আন এখন আপীল দাখিল কৰা হৈছে, যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা গৃহীত নির্দেশক সমর্থন কৰিছে।

৩. বিষয়টোৰ তথ্যসমূহ ইয়াত সংক্ষেপে বর্ণনা কৰা হৈছে। সহকাৰী চৰকাৰী অধিবক্তা তথা সহকাৰী ৰাজহুৱা অভিযোজক- দুটা পদৰ নিযুক্তিৰ বাবে ১২-০৪-১৯৯৯ত আপীলকাৰী-ৰাজ্যৰ

দ্বাৰা এটা বিজ্ঞাপন দাখিল কৰা হৈছিল। তাৰপিছত, ৰাজ্য চৰকাৰে উক্ত পদসমূহত নিযুক্তিৰ বাবে সাক্ষাৎকাৰৰ তাৰিখ অৱগত কৰি দুখন জাননী জাৰি কৰিছিল। (ক) কেৱল মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত নিযুক্তি প্ৰদান কৰিব নোৱাৰি, আৰু (খ) লিখিত পৰীক্ষা লোৱাটো প্ৰয়োজনীয়, এই বুলি উল্লেখ কৰি সাক্ষাৎকাৰৰ তাৰিখ জনোৱা উল্লিখিত অধিসূচনাক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন (ডব্লিউ. পি. (চি) নং. ৫৭০- ৯৯) দাখিল কৰা হৈছিল। এই লেখ আবেদনখন ১৯৯৯চনৰ ৯জুনত উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা অনুমতি দিয়া হৈছিল আৰু ৰাজ্য চৰকাৰক এক নিৰ্দেশনা জাৰি কৰা হৈছিল যাতে, এক মাহৰ ভিতৰত লিখিত পৰীক্ষাৰ লগতে মৌখিক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে নতুন তাৰিখ জাৰি কৰা হয়।

৪. ডব্লিউ. পি. (চি) ৫৭০/৯৯ত উচ্চ ন্যায়ালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি লিখিত পৰীক্ষা ১৯৯৯চনৰ ১আগষ্টত অনুষ্ঠিত হৈছিল আৰু উক্ত পদসমূহৰ বাবে ১৯৯৯চনৰ ১ডিচেম্বৰত মৌখিক পৰীক্ষা অনুষ্ঠিত হৈছিল।

৫. ১৯৯৯চনৰ ১৯এপ্ৰিলত ৰাজ্য চৰকাৰে সন্মুখীন হোৱা গুৰুতৰ বিত্তীয় সংকটৰ বাবে ভাৰত চৰকাৰৰ পৰা বিত্তীয় সাহায্য লাভ কৰিবলৈ মণিপুৰ চৰকাৰ আৰু ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ মাজত এক MOU(বুজাবুজি চুক্তি) স্বাক্ষৰিত হৈছিল। উক্ত বুজাবুজি চুক্তি অনুসৰি, ৰাজ্য চৰকাৰে প্ৰত্যক্ষ নিযুক্তি আৰু ডি. পি. চি.-ৰ ফলাফল ঘোষণা নিষিদ্ধ কৰাৰ বাবে এক নীতিগত সিদ্ধান্ত লৈছিল আৰু উক্ত নীতিগত সিদ্ধান্তটো ৬নৱেম্বৰ, ১৯৯৯তাৰিখৰ আদেশৰ ৰূপত প্ৰকাশ কৰা হৈছে।

৬. ২০০০চনৰ ২৪মাৰ্চত ৰাজ্য চৰকাৰে এক কাৰ্যালয় স্মাৰক পত্ৰ জাৰি কৰি কৈছিল যে, কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ অধীনত গৃহ আৰু উন্নয়ন শিক্ষা বিভাগত কৰা নিযুক্তিৰ বাহিৰে সকলো বিভাগৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে ডি. পি. চি.-ৰ প্ৰত্যক্ষ নিযুক্তি আৰু ফলাফল ঘোষণাৰ ওপৰত নিষেধাজ্ঞা অব্যাহত থাকিব।

৭. ইয়াত উত্তৰদাতাসকলে (পিছলৈ "লেখ আপীলকাৰী" বুলি উল্লেখ কৰা হৈছে) ২০০০চনৰ ৩ এপ্ৰিলত লেখ আবেদন নং ৩৫৫-২০০০ উচ্চ ন্যায়ালয়ত দাখিল কৰে, যিখন ২০০০চনৰ ৬এপ্ৰিলত বিদ্বান একক ন্যায়াধীশৰ আগত তালিকাভুক্ত কৰা হৈছে। বিদ্বান একক ন্যায়াধীশজনে তাত উত্তৰ দাখিল কৰিবলৈ উত্তৰদাতাসকলক কোনো সুযোগ নিদিয়াকৈ লেখ আবেদনখনৰ অনুমতি দিয়ে আৰু আপীলকাৰী-ৰাজ্য চৰকাৰক সেই ৰায়দানৰ প্ৰতিলিপি লাভ কৰাৰ তাৰিখৰ পৰা সাত...... ভিতৰত, ১২এপ্ৰিল, ১৯৯৯তাৰিখৰ বিজ্ঞাপন অনুসৰি অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিবলৈ নিৰ্দেশ দিয়ে।

৮. ইয়াৰ পিছত ৰাজ্য চৰকাৰে এখন আবেদন দাখিল কৰিছিল (চি. এম. এ. নং ১৮২/২০০০) উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ বা নিষেধাজ্ঞা উঠাই লোৱালৈকে, যিটো পিছত হয়, সময় ছয় মাহলৈ বৃদ্ধিৰ বাবে। এই আবেদন অৱশ্যে ২০০০চনৰ ১২জুনত বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা নাকচ কৰা হৈছিল। তাৰপিছত, আপীলকাৰীসকলে লেখ আপীল দাখিল কৰিছিল, যিখন বিচাৰাধীন আদেশৰ দ্বাৰা নিষ্পত্তি কৰা হৈছিল। লেখ আপীলত, আপীলকাৰীসকলে অতিৰিক্ত তথ্যসমূহ লিপিবদ্ধ কৰিবলৈ আবেদন দাখিল কৰি, প্ৰাসংগিক তথ্যসমূহ (যাৰ বাবে বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা কোনো সুযোগ দিয়া হোৱা নাছিল) লিপিবদ্ধ কৰিছিল। পৰৱৰ্তী তথ্যবোৰো ২০০৫চনত লিপিবদ্ধ কৰা হৈছিল, যিবোৰ ৰাজ্য চৰকাৰৰ জ্ঞাত নাছিল।

৯. কোনো তথ্যৰ উল্লেখ নকৰাকৈ আৰু কেৱল এইটো লক্ষ্য কৰি যে, ই একক ন্যায়াধীশৰ দ্বাৰা গৃহীত নিৰ্দেশত কোনো অবৈধতা বা বিকৃতি বিচাৰি পোৱা নাই বুলিয়েই উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে একক ন্যায়াধীশৰ নিৰ্দেশক সমৰ্থন কৰিছিল। ইয়াৰ উপৰিও এইটো ধাৰণা কৰা হৈছিল যে, অভিলেখলৈ অনা পৰৱৰ্তী পদক্ষেপবোৰ বিচাৰাধীন ৰায়টোত হস্তক্ষেপ কৰিবলৈ পৰ্যাপ্ত নাছিল। বিদ্বান একক ন্যায়াধীশৰ লগতে খণ্ড বিচাৰপীঠৰ দ্বাৰা প্ৰদান কৰা নিৰ্দেশবোৰ অতি কমেও ক'বলৈ হ'লে- সাঁথৰস্বৰূপ তথা যুক্তিহীন আছিল। খণ্ড বিচাৰপীঠে লিপিবদ্ধ কৰা উচিত আছিল যে, বিদ্বান একক ন্যায়াধীশগৰাকীয়ে উত্তৰদাতাসকলক লেখ আবেদনত কৰা অভিমতৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়া দাখিল কৰিবলৈ অনুমতি দিয়া নাছিল। যিহেতু একক বিচাৰপীঠে উত্তৰদাতাসকলক উত্তৰ দাখিল কৰাৰ অনুমতি দিয়া নাছিল, সেয়েহে অতিৰিক্ত হলফনামাৰ জৰিয়তে তথ্যসমূহৰ উত্থাপন কৰা খণ্ড বিচাৰপীঠে অতিৰিক্ত তথ্যসমূহ বিবেচনা কৰা উচিত আছিল, লগতে সেইবোৰৰ গ্ৰহণ বা নাকচ কৰাটো খণ্ড বিচাৰপীঠেৰ ওপৰত নিৰ্ভৰ কৰিছিল। খণ্ড বিচাৰপীঠে বিদ্বান একক ন্যায়াধীশৰ নিৰ্দেশ সমৰ্থন কৰাৰ বাবে কোনো কাৰণ নিৰ্ধাৰণ কৰা নাই কেৱল এই উল্লেখ কৰাৰ বাহিৰে যে, তেওঁলোকৰ বিদ্বান একক ন্যায়াধীশৰ নিৰ্দেশত হস্তক্ষেপ কৰাৰ প্ৰৱণতা নাই।

১০. ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ বিচাৰাধীন আদেশ বাতিল কৰা হয় আৰু গোচৰটো আইন অনুসৰি নতুন সিদ্ধান্তৰ বাবে ঘূৰাই পঠিওৱা হয়। বিষয়টোৰ চূড়ান্ত নিষ্পত্তিৰ ক্ষেত্ৰত আৰু অধিক পলম নোহোৱাকৈ আমি গোচৰটো খণ্ড বিচাৰপীঠলৈ প্ৰেৰণ কৰিছো। বিদ্বান একক ন্যায়াধীশৰ আগত থকা লেখ আবেদনখন চূড়ান্ত নিষ্পত্তিৰ বাবে খণ্ড বিচাৰপীঠৰ আগত উত্থাপন কৰাৰ নিৰ্দেশ দিয়া হৈছে। ইয়াত

আপীলকাৰীসকলক (লেখ আপীলৰ উত্তৰদাতা) affidavit in opposition (written statement)-ৰ [বিৰোধী পক্ষত এখন হলফনামা (লিখিত বিবৃতি)] জৰিয়তে সঠিক উত্তৰ দাখিল কৰাৰ স্বাধীনতা দিয়া হৈছে। খণ্ড বিচাৰপীঠে লেখ আবেদনকাৰীসকলক (উত্তৰদাতাক) ইয়াত আপীলকাৰীসকলে দাখিল কৰা বিৰোধী হলফনামাৰ rejoinder(প্ৰতি প্ৰত্যুত্তৰ) দাখিল কৰাৰ অনুমতি দিব। সকলো বিবাদৰ বিবেচনাৰ বাবে মুকলি ৰখা হ'ল।

১১. আমি গোচৰটোৰ গুণাগুণৰ লগতে সংশ্লিষ্ট পক্ষসমূহৰ প্ৰতিদ্বন্দ্বী বিবাদৰ ওপৰত কোনো মতামত প্ৰকাশ কৰা নাই। খণ্ড বিচাৰপীঠে এই নিৰ্দেশত কৰা কোনো পৰ্যবেক্ষণ বা খণ্ড বিচাৰপীঠ আৰু বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা গৃহীত পূৰ্বৰ নিৰ্দেশৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ লেখ আপীলৰ সিদ্ধান্ত ল'ব। পক্ষসমূহৰ অধিবক্তাসকলক তেওঁলোকৰ গোচৰৰ সন্দৰ্ভত পৰৱৰ্তী নিৰ্দেশনাৰ বাবে ০২-০৫-২০০৭ত উচ্চ ন্যায়ালয়ৰ ৰেজিষ্ট্ৰীৰ আগত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হৈছে। আমি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এই বিষয়টো সোনকালে নিষ্পত্তি কৰিবলৈ অনুৰোধ জনাইছো।

১২. ব্যয়ৰ সন্দৰ্ভত কোনো নিৰ্দেশ নিদিয়াকৈ দেৱানী আপীলৰ নিষ্পত্তি কৰা হয়।

এন. জে.

আপীলৰ নিষ্পত্তি।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে৷ ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব৷ সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব৷”